# Field Study :Borduwa 03/01/2021

On 03/01/2021 Department of Assamese of Debraj Roy College organized a field study tour for the fifth semester (5$^{th}$ sem) students to Borduwa under the guidance of the head of the department Dr. Jyotirmoyee Bhattacharjee and guest faculty Dr. Jayanta Dutta.

# Borduwa: is the birth place of the great artist,leterateur,dramatist and the founder of

Vaishnavism is Assam Sri Sri Shankaradev.Borduwa satra is one of the b est known satras founded by the great Shakaradev.After returning from his first pilgrimage in about 1494 A.D. Shankaradev founded his first Namghar or kirtanghar in Borduwa to practise and preach his newly founded faith in Bhagawatas and Puran Sastras.He used to practice nam prasanga regularly in the kirtanghar along with his followers and bhakts.



Students with the guide Dr. Jayanta Dutta



Students with the guides Dr. Jyotirmoyee Bhattacharjee and Dr. jayanta Dutta

# বৰদোৱা

*পঞ্চম ষাণ্মাসিকৰ সকলো ছাত্ৰ-ছাত্ৰী*

২০২১ চনৰ ৩ জানুৱাৰী তাৰিখে গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড০ জ্যোতিময়ী ভট্টাচাৰ্য বাইদেউ আৰু ড০ জয়ন্ত দত্ত ছাৰৰ তত্ত্বাবধানত আমাৰ বিভাগৰ পঞ্চম ষাণ্মাসিকৰ ২০জন ছাত্ৰ-ছাত্ৰীয়ে ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ সূত্ৰে নগাঁও জিলাৰ বৰদোৱা থানলৈ বুলি ভ্ৰমণ কৰিছিলো। নগাঁও জিলাৰ পৰা ১৮ কিঃ মিঃ নিলগত অৱস্থিত বৰদোৱা থান অসমৰ এখন পবিত্ৰ তীৰ্থস্থান। ১৪৬৮ খ্ৰীষ্টাব্দত মহাপুৰুষ শ্ৰীমন্ত শ্ৰী শ্ৰী বটদ্ৰৱা থানখন প্ৰতিষ্ঠা কৰিছিল। এই বৰদোৱাৰ আলিপুখুৰী নামে ঠাইতে মহাপুৰুষজনাৰ জন্ম হৈছিল। শংকৰদেৱৰ শৈশৱ, কৈশোৰ আৰু কৰ্মজীৱনৰ স্থলী হিচাপে অসমৰ জনমানসত বৰদোৱাৰ বিশেষ মৰ্যাদা আছে। এই থানখনে ২৮৬ বিঘা মাটি আগুৰি আছে।

আমি মহাবিদ্যালয়ৰ সমীপৰ পৰাই ৰাতিপুৱা ৬-৩০ বজাত যাত্ৰা আৰম্ভ কৰিছিলোঁ। সেইদৰে আগবাঢ়ি গৈ আমি কাজিৰঙাৰ দোৱাৰ বুঢ়াপাহাৰত অৱস্থিত হালধিবাৰী বুঢ়ী আই থানৰ ওচৰত আমাৰ বাছখন দহ মিনিত মানৰ বাবে ৰৈছিল। তাত আমি সকলোৱে আই গোঁসানীৰ থানত সেৱা আগবঢ়াই আকৌ আমি যাত্ৰা আৰম্ভ কৰিলোঁ। ৰাতিপুৱা যিহেতু সকলোৱে একো নোখোৱাকৈয়ে বাছত উঠিছিলো সেইবাবে আমি সকলোৱে জখলাবন্ধাত অলপ ৰৈ পাতল আহাৰ গ্ৰহণ কৰিলোঁ। পাঁচ ঘণ্টামান জোৰা যাত্ৰাৰ অন্তত আমাৰ সকলোৰে উচ্ছাস উদ্দীপনাৰ মাজেৰে বটদ্ৰৱা থানত উপস্থিত হ'লোঁ। থানৰ মূল তোৰণৰ সমীপতে থকা এখন বিপনীৰ বিক্ৰেতাই আমাক যথেষ্ট সহায় কৰিছিল, যিহেতু আমি বহু দূৰ অতিক্ৰম কৰি আহিছো সেইবাবে হাত-মুখ ধুবলৈ তেখেতৰ ঘৰলৈ নি সুব্যৱস্থা কৰি দিছিল। তেখেতৰ বিপনীতে চাকি-বন্তি আৰু শৰাইৰ বাবে সকলো সামগ্ৰী ক্ৰয় কৰি মূল তোৰণেৰে সকলো সোমাই গ'লোঁ। এক ভাষাহীন প্ৰাকৃতিক সৌন্দৰ্যৰ মনোৰম দৃশ্য অতিকৈয়ে উপভোগ কৰিলোঁ। ভাবিছিলোঁ নামঘৰত প্ৰবেশ কৰিয়েই চাকি-বন্তি নিজ হাতেৰেই জ্বলাম কিন্তু নামঘৰ পৰিচালনা সমিতিয়ে আমাক অনুমতি নিদিলে। বৰ্তমান ক'ৰোণা মহামাৰীৰ বাবে সম্ভৱ আমাক অনুমতি নিদিলে। মূল নামঘৰৰ সন্মুখতে থকা কাৰ্যালয়ত চাকি-বন্তি, শৰাই-সঁফুৰা অৰ্পণ কৰিলোঁ। কিন্তু এটা কথাই আমাক বাৰুকৈয়ে আঘাত কৰিলে সেয়া হ'ল, শৰাই লোৱা ব্যক্তি গৰাকীয়ে শৰাইৰ খৰচা আমাৰ পৰা দাবি কৰি লোৱাৰ দৰে ল'লে। যিহেতু এখন ধৰ্ম স্থানত এজন ভক্তই তেওঁ নিজৰ ইচ্ছা মতে অৰ্চনা অৰ্পণ কৰে। বটদ্ৰৱা থানখন যিহেতু এখন ধৰ্মীয় অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠানত পইছা দাবি কৰাটো কিমান যুক্তি সংগত আমি বুজি নাপালোঁ।

তাৰপিছত ছাৰ-বাইদেউ আৰু নামঘৰৰে এজন বয়স্ক দেউৰীৰ তত্ত্বাৱধানত বৰদোৱা সত্ৰৰ ভিতৰত থকা গুৰুৰ ব্যৱহৃত পাদনাদ গৃহ চালোঁ। তাত থকা ছশ বছৰ পুৰণি শিলিখা গছজোপা চাবলৈ গ'লোঁ। এই শিলিখা জোপাৰ তলতে বহি শংকৰদেৱে সাহিত্য চৰ্চা কৰিছিল বুলি জনশ্ৰুতি আছে। গছজোপাৰ সমীপতে থকা মনিকূটসহ কীৰ্তন ঘৰটো চালোঁ। তাৰ পিছত মূল নামঘৰৰ পূৱ দিশে থকা পুখুৰীটো চাবলৈ গ'লোঁ তাত

অসংখ্য মাছ-কাছ আছে। পুখুৰীটোৰ পাৰতে আমি সকলোৱে মিলি দুকপিমান ফটো উঠিলো স্মৃতি ধৰি থোৱাৰ স্বাৰ্থত। পুখুৰীৰ পাৰৰ পৰা আমি চিধাই ৰমাকান্ত মুক্তিয়াৰ আতৈ বহা ঘৰ, সভাপতি/ সাধাৰণ সম্পাদক বহা ঘৰ আৰু পুথিভঁৰাল চালোঁ। সেই ঠাইতে ক্ষুদ্ৰ সংগ্ৰাহলয় আছে। তাত শংকৰদেৱৰ সময়ৰ বহুতো সামগ্ৰী সংৰক্ষিত হৈ আছে। সেইদিনা কিবা বিশেষ কাৰণবশতঃ সংগ্ৰাহলয়টো বন্ধ আছিল, সেইবাবে দৰ্শনৰ পৰা আমি বঞ্চিত হ'লোঁ। সেই বাটটোৰ দেৱাল বিলাকত বিভিন্ন ধৰণৰ চিত্ৰ অংকন কৰি থোৱা আছে, তাৰে ভিতৰত — সাগৰ মন্থন, শ্ৰী কৃষ্ণৰ ছবি ইত্যাদি। এই চিত্ৰসমূহে সেই ঠাইৰ সৌন্দৰ্য বৃদ্ধি কৰাত অৰিহণা যোগাইছে। তাৰ পাছত আমি আকাশীগঙ্গা সৰোবৰ চাই আহি নৈমিষা ক্ষেত্ৰলৈ আহিলোঁ তাত বেৰৰ ওপৰত বহুতো শ্লোক লিখা আছে। তাৰ পৰা আহি আকাশীগঙ্গা কাষতে থকা সাংস্কৃতিক মঞ্চৰ ফালে আগবাঢ়িলো, তাত নেগেৰা নামৰ অনুষ্ঠান চলি আছিল কিন্তু সময়ৰ অভাৱত আমি সেই অনুষ্ঠানত বেছি সময় উপস্থিত থাকিব নোৱাৰিলোঁ। ইয়াৰ পিছত দুই বাজি ত্ৰিশ মিনিট মান বজাত আমি সকলোৱে নামঘৰৰ পৰা ওলাই আহি বাছত বহিলোহি। তাৰপিছত আমি আহি আহি জখলাবন্ধাত দুপৰীয়া আহাৰ গ্ৰহণ কৰিলোঁ। তাৰ পিছত আমি সকলোৱে আহি নিশা আঠ মান বজাত দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ সন্মুখত উপস্থিত হ'লোহি।

এনেকৈয়ে আমাৰ বৰদোৱা অভিমুখী যাত্ৰাৰ অন্ত পৰিছিল।

*****

* জীৱন বুলিলে কেৱল খাই-বৈ জীয়াই থকাটোকে নুবুজায়, মানৱ মনৰ ইচ্ছা-আকাংক্ষাবিলাক সুপথেৰে পৰিচালিত কৰি ইন্দ্ৰিয়সমূহক কাৰ্যক্ষম কৰাই মনৰ অনুভূতিবোৰৰ বিকাশেৰে মানৱীয় গুণসম্পন্ন হৈ চলাটোহে প্ৰকৃত জীৱন।

— জ্যাঁ জেক ৰুছো



Report on field study on Bordowa by the students of fifth semester in Abhigya(annual magazine of Assamese Department)